# ১২। স্ত্ৰী প্ৰত্যয়
# (Feminine suffixes)

১২ ঃ ১ অসমীয়া ভাষাত সংস্কৃতৰ দৰে ব্যাকৰণগত অৰ্থাৎ আকৃতিগত স্ত্ৰী-লিংগ নাই। অৰ্থগত স্ত্ৰী-লিংগহে আছে। মাইকী বুজোৱা শব্দবোৰেই স্ত্ৰী-লিংগ, পুৰুষ বুজোৱা শব্দবোৰেই পুং-লিংগ। উভয়কে বুজোৱাবোৰক উভয়-লিংগ কোৱা হয়। মাইকীও নহয় মতাও নহয় তেনে ভাব বুজোৱা অপ্ৰাণীবাচক শব্দবোৰক ক্লীৱ-লিংগ কোৱা হয়।

১২ ঃ ২ মাইকী বা স্ত্ৰী বুজাবৰ বাবে যিবোৰ প্ৰত্যয় ব্যৱহাৰ কৰা হয়, সেইবোৰকেই স্ত্ৰী প্ৰত্যয় কোৱা হয়।

১২ ঃ ৩ অসমীয়া ভাষাত ব্যৱহাৰ হোৱা তৎসম শব্দবোৰৰ লিংগভেদ জানিবৰ বাবে (ক) সংস্কৃত স্ত্ৰী প্ৰত্যয় আৰু (খ) বিশেষতঃ অসমীয়া স্ত্ৰী-লিংগ বুজোৱা অসমীয়া স্ত্ৰী প্ৰত্যয়বোৰ জানিবলৈ তলত দুইভাগত আলোচনা কৰা হ'ল।

## (ক) সংস্কৃত স্ত্ৰী প্ৰত্যয়

১২ ঃ ৪ অসমীয়া ভাষাত যথেষ্ট সংখ্যক সংস্কৃত তৎসম শব্দ ব্যৱহাৰ হয়। সেইবোৰত স্ত্ৰী-লিংগ বুজাবলৈ সংস্কৃত স্ত্ৰী প্ৰত্যয়হে ব্যৱহাৰ কৰিব লাগে। তলত আৱশ্যকীয় সংস্কৃত স্ত্ৰী প্ৰত্যয় কেইটিমানৰ উল্লেখ কৰা হ'ল।

১। আপ্ ঃ (ক) অজ, অশ্ব প্ৰভৃতি শব্দৰ পিছত আৰু আ-কাৰান্ত শব্দৰ পিছত আপ্ প্ৰত্যয় হয়। প্ ইৎ যায়। যেনে, অজ্—অজা, অশ্বা, বালা আদি। সদায় আ-কাৰান্ত হৈ থকা শব্দ প্ৰিয়া, কান্তা, অবলা, দীনা, সবলা ইত্যাদি।

(খ) আপ প্ৰত্যয় যোগত 'অক' প্ৰত্যয়ান্ত শব্দ 'ইকা' প্ৰত্যয়ান্ত হয়। যেনে,

পাচক—পাচিকা, নায়ক—নায়িকা, বালক—বালিকা।

পালক—পালিকা, নাটক—নাটিকা, পাঠক—পাঠিকা।

ব্যতিক্ৰম, —অষ্টকা—কন্যকা—তাৰকা—উপত্যকা।

২। ঙীষ্ ঃ জাতিবাচক পুং-লিংগ শব্দৰ পিছত স্ত্ৰী-লিংগ ঙীষ্ প্ৰত্যয় যোগ হয়। ঙ, ষ্, ইৎ যায়। ঈ থাকে। যেনে,

কুক্কুট—কুক্কুটী, তেনেকৈ ময়ূৰ—ময়ূৰী, সৰ্পী, বিহগী, হংসী, নটী ইত্যাদি।

ব্যতিক্ৰম কিন্তু প্ৰতিপাদিকাৰ উপধা 'য' হ'লে আপ্ হয়। যেনে,

ক্ষত্ৰিয়—ক্ষত্ৰিয়া, বৈশ্য—বৈশ্যা।

গৌৰ প্ৰভৃতি শব্দত ঙীষ্ হয়। যেনে,

গৌৰ—গৌৰী, মৎস্য—মৎস্যী, পৃথিৱী, সুন্দৰী, হৰিণী, মানুষী ইত্যাদি।

৩। **ঙীপ্ ঃ** (ক) ঋ-কাৰান্ত আৰু ন-কাৰান্ত শব্দৰ পিছত স্ত্রী-লিংগত ঙীপ্ হয়। ঙ্, প্ ইৎ যায়। ই মাথোন থাকে। ঋ-কাৰান্ত কর্তৃ-কর্ত্রী, ধাত্রী, দাত্রী, ন-কাৰান্ত দণ্ডিন্--দণ্ডিনী, গুণিনী, মানিনী, কামিনী।

কিন্তু ৰাজন্--ৰাজ্ঞী, যুৱন্--যুনী (যুৱতী), শ্বন্--শুনী।

(খ) তেনেকৈ প্রেয়সী, শ্রীমৎ--শ্রীমতী, গুণৱৎ--গুণৱতী

(গ) পতি শব্দৰ ধর্ম-পত্নী বুজাবলৈ ত-কাৰৰ পিছত ন আগম হয়। পতি-পত্নী।

(ঘ) ইন্দ্ৰ, বৰুণ, ভৱ, ৰুদ্র, হিম, অৰণ্য আদি শব্দৰ পিছত স্ত্রী-লিংগত ঈপ্ (ঙীপ্) হ'লে প্রাতিপদিকৰ শেষত অন আগম হয়। যেনে,

ইন্দ্র--ইন্দ্রীনী, বৰুণ--বৰুণানী, শর্ব--শর্বাণী, হিম--হিমানী, অৰণ্য--অৰণ্যানী, মাতুল--মাতুলানী।

## (খ) অসমীয়া স্ত্রী প্রত্যয়

**১২ ঃ ৫** অসমীয়াত ব্যৱহাৰ হোৱা তৎসম আৰু অৰ্ধতৎসম শব্দত সংস্কৃত স্ত্রী প্রত্যয় ব্যৱহাৰ হয়। তদ্ভৱ আৰু অন্যান্য শব্দৰ আগত অসমীয়া স্ত্রী প্রত্যয় যোগ হয়।

**১২ ঃ ৬** আ-কাৰান্ত বা অ-কাৰান্ত আৰু ব্যঞ্জনান্ত শব্দবোৰ সাধাৰণতে পুং-লিংগ। কেতিয়াবা মূলত ব্যঞ্জনান্ত বা অ-কাৰান্ত থাকিলে অসমীয়াত স্বার্থিক আ (< আক) বা নির্দেশক আ বা স্বার্থিক ৰা, লা, যোগ কৰি আ-কাৰান্ত কৰা হয়। শব্দবোৰ আ-কাৰান্ত হ'লেও সংস্কৃত স্ত্রী প্রত্যয়ৰ 'আপ'ৰ আ নহয়। পুং-লিংগ শব্দ হৈয়ে থাকে। যেনে, হৰিণ। ইয়াৰ স্বার্থিক আ যোগ কৰি অসমীয়াত হৰিণা পোৱা যায়। তেনেকৈ,

স্বর্ণ--সোণ, আ যোগত সোণা (কাক + আ >) কোৱা, বাপ (< ৱপ্র) + আ = বোপা, বৎস + আ = বাছা। তেনেকৈ,

বাপ--বপুৰা, বৃদ্ধ + আ = বুঢ়া, জেষ্ঠ + আ = জেঠা, উপসর্গ + আ = উচৰ্গা, বাচা--বেচেৰা, (দম্য) দমৰা, (লগ্নক) লিগিৰা, (অজ্ঞ) অজলা, (ভেক্) ভেকোলা ইত্যাদি।

**১২ ঃ ৭** স্বার্থিক ৰ বা ল পুং-লিংগ, ক্লীৱ বা উভয়-লিংগত ব্যৱহাৰ হয়। কেতিয়াবা উভয়-লিংগত ৰি, লি আৰু স্ত্রী-লিংগত ৰী, ৰা, লী ব্যৱহাৰ হয়। বৎস--বাচুৰ (উভয়-লিংগত)।

জেঠা--জেঠাল (পুং), দীঘ--দীঘল (ক্লীৱ)
(সং, দম্য) দামুৰি (উভয়-লিংগত), দামুৰী (স্ত্রী-লিংগত)
পুং--ছাৱা--ছৱাল (উভয়-লিংগত), ছোৱালী (স্ত্রী-লিংগত)
ছাগ--ছাগল (উভয়-লিংগত), ছাগলী (স্ত্রী-লিংগত)
(সং, কাক) কোৱা--কাউৰ (উভয়-লিংগত), কাউৰী (স্ত্রী-লিংগত)

১২ ঃ ৮ অসমীয়া ভাষাত স্বৰ-সংগতিৰ প্ৰভাৱ যথেষ্ট। প্ৰত্যয়ৰ উচ্চ স্বৰ, ঈ, নী থাকিলে প্ৰাতিপদিকৰ প্ৰথম শব্দাংশত থকা ও সাধাৰণতে উ-কাৰ হয়। তলৰ উদাহৰণবোৰত প্ৰমাণ পোৱা যাব। কোঁৱৰ--কুঁৱৰী। ধোবা—ধুবুনী। চোৰ--চুৰুণী।*

১২ ঃ ৯ ঈ ঃ

(১) জাতিবাচক শব্দৰ পিছত সাধাৰণতে ঈ প্ৰত্যয় যোগ কৰি স্ত্ৰী-লিংগ কৰা হয়। যেনে,

পুং—কোঁৱৰ, স্ত্ৰী—কুঁৱৰী (ও-কাৰ উ-কাৰ হৈছে),
বান্দৰ—বান্দৰী, লিগিৰা--লিগিৰী
ৰাজকুমাৰ—ৰাজকুমাৰী, কিন্তু কুমাৰ—কুমাৰণী* (সং, কুম্ভকাৰ)

(২) আ-কাৰান্ত তদ্ভৱ শব্দৰ পিছত ঈ যোগ কৰা হয়। যেনে,

| পুং | স্ত্ৰী | পুং | স্ত্ৰী |
|---|---|---|---|
| খুৰা | খুৰী | জেঠা | জেঠী |
| পেহা | পেহী | মহা | মাহী |
| মামা | মামী | লিগিৰা | লিগিৰী |
| ফঁপৰা | ফাঁপৰী | জপৰা | জাপৰী |
| বেঙা | বেঙী | বগা | বগী |
| বেটা | বেটী | বুঢ়া | বুঢ়ী |
| ফেঁচা | ফেঁচী | কজলা | কাজলী |
| দমৰা | দামুৰী | উচলাদঁতা | উচলাদাঁতী |
| পঠা | পাঠী | পেৰা | পেৰী (ম'হ)। |

(৩) ৱন্ত, ৱান্ আৰু মন্ত, মান্ প্ৰত্যয়ান্ত শব্দৰ স্ত্ৰী-লিংগত ৱতী আৰু মতী হয়। যেনে,

শ্ৰীমান—শ্ৰীমতী, ৰূপৱান—ৰূপৱতী, বুদ্ধিমান—বুদ্ধিমতী।

১২ ঃ ১০ নী, অনী ঃ

(১) অ-কাৰান্ত পুং-লিংগ শব্দৰ পিছত অনী যোগ কৰিলে স্ত্ৰী-লিংগ পোৱা যায়। যেনে,

বামুণ—বামুণনী বা বামুণী, ফুকন—ফুকননী, চঁড়াল—চঁড়ালনী, শিয়াল—শিয়ালী, শিয়ালনী।

(২) আ-কাৰান্ত পুং-লিংগ শব্দৰ পিছত অনী যোগ হয়। যেনে,

কলিতা—কলিতানী, বৰা—বৰানী*
বৰুৱা—বৰুৱানী, মলুৱা—মলুৱানী।

---

* ঋ, ৰ, ষ-ৰ পিছত থাকিলে আৰু স্বৰ বৰ্ণ, ক বৰ্গ, হ আদিৰ বাধা থাকিলে দন্ত্য ন মূৰ্ধন্য হোৱা নিয়ম অসমীয়া স্ত্ৰী প্ৰত্যয়ৰ 'ন'ত নাখাটে, অৰ্থাৎ দন্ত্য ন মূৰ্ধন্য ণ নহয়।

(৩) ই, ঈ, ঐ-কাৰান্ত পুং-লিংগ শব্দৰ পিছত অনী যোগ হ'লে য়-শ্ৰুতি আগম হয়। যেনে,

মিৰি—মিৰিয়নী, বাঁঢ়ৈ—বাঁঢ়য়নী।

কিন্তু মালী—মালিনী, দুখী—দুখিনী, অভাগী—অভাগিনী।

(৪) উ, ঊ, ও, ঔ-কাৰান্ত পুং-লিংগ শব্দৰ পিছত অনী যোগ কৰিলে ৱ-শ্ৰুতি আগম হয়। যেনে,

সাধু—অস. সাধুৱনী, সং. সাধ্বী।

বন্ধু—অস. বন্ধুৱনী, সং. বান্ধৱী। গাৰো—গাৰোৱনী।

**১২ ঃ ১১ না, ইনী ঃ**

কিছুমান অ-কাৰান্ত পুং-লিংগ শব্দৰ পিছত 'অনী'ৰ ঠাইত ইনী যোগ কৰি স্ত্ৰী-লিংগ কৰা হয়। যেনে,

বাঘ—বাঘিনী, ৰাক্ষস—ৰাক্ষসিনী বা ৰাক্ষসী।

পিশাচ—পিশাচিনী বা পিশাচী। গোপ—গোপিনী, গোপী।

সিংহ—সিংহিনী বা সিংহী। নাগ, নগা—নাগিনী।

যখ—যখিনী, হাঁহ—হাঁহিনী।

**১২ ঃ ১২ নী, উনী ঃ**

অ-কাৰান্ত বা আ-কাৰান্ত পুং-লিংগ শব্দৰ আদি শব্দাংশত উ বা ও-কাৰ থাকিলে অনী প্ৰত্যয় যোগ হোৱাত ও-কাৰৰ ঠাইত উ-কাৰ হয় আৰু স্বৰ সমীভৱনৰ যোগেদি প্ৰাতিপদিকৰ অন্ত্য অ বা আ প্ৰত্যয়ৰ অ মিলি উনী হয়। যেনে,

ভোট + অনী = ভুটুনী। কোচ + অনী = কুচুনী। চোৰ + অনী = চুৰুণী।

ধোবা + অনী = ধুবুনী। ভূত + অনী = ভূতুনী।

**১২ ঃ ১৩ ৰী ঃ**

নাম শব্দৰ পিছত স্বাৰ্থিক 'ৰ' যোগ হৈ যিবোৰ বিশেষ্য বা বিশেষণ পদ গঢ়ি উঠিছে, সেইবোৰক স্ত্ৰী-লিংগলৈ পৰিৱৰ্তন কৰিলে ৰ-কাৰত ঈ যোগ দি 'ৰী' ব্যৱহাৰ কৰা হয়। ৰী যুক্ত শব্দবোৰ স্ত্ৰী-লিংগবাচক। যেনে,

| পুং | স্ত্ৰী | পুং | স্ত্ৰী |
|---|---|---|---|
| দমৰা | দামুৰী। | বপুৰা | বপুৰী। |
| কাউৰ (কোৱা) | কাউৰী। | লিগিৰা | লিগিৰী। |
| বেচেৰা | বেচেৰী। | দন্দুৰা | দন্দুৰী। |
| কলা | কালৰী। | ডেকা | ডেকেৰী। |

**১২ ঃ ১৪ লী ঃ**

নাম শব্দৰ লগত স্বাৰ্থিক ল বা বৰ্ধিত ৰূপ যোগ হৈ সিদ্ধ হোৱা বিশেষ্য বা বিশেষণ পদ স্ত্ৰী-লিংগত লী হয়। যেনে,

DAILY ASSAM



ভেক পুং, ভোকোলা স্ত্রী, ভেকুলী (স্বৰ-সংগতিৰ বাবে উ-কাৰ হৈছে)

| | | |
|---|---|---|
| অজ্ঞ | অজলা | আজলী। |
| ছাগ | ছাগল | ছাগলী। |
| ছ্বা | ছ্বাল | ছোৱালী। |

(সং শাৱক)

**১২ ঃ ১৫ অতী ঃ**

(ক) অভ্যস্ত, পাকৈত, আছে বা তাৰ পৰা হোৱা অৰ্থ বুজাবলৈ ব্যৱহাৰ হোৱা তদ্ধিত প্ৰত্যয় অতি, তি যোগত সিদ্ধ হোৱা বিশেষ্য বা বিশেষণ পদত ঈ-কাৰান্ত কৰি স্ত্রী-লিংগ পাব পাৰি। যেনে,

খীৰ + অতী = খীৰতী (খীৰতী গাই), পুৱা + অতী = পুৱতী (পুৱতী নিশা), লাজ + অতী = লাজতী (লাজতী লতা বা লাজেতী লতা)।

(খ) ওঁতা প্ৰত্যয়ান্ত পুং-লিংগ শব্দৰ স্ত্রী-লিংগ কৰিবলৈ অঁতী যোগ কৰা হয়। যেনে,

কৰোঁতা— স্ত্রী কৰঁতী। পঢ়োতা—পঢ়ঁতী।

**১২ ঃ ১৬** কিছুমান নিৰ্দেশক প্ৰত্যয় স্ত্রী-লিংগবাচক প্ৰত্যয় গ্ৰহণ কৰি স্ত্রী-লিংগ হয় আৰু নাম শব্দৰ পিছত বহি নাম শব্দটো স্ত্রী-লিংগবাচক কৰি তোলে, তেনেকৈ স্ত্রী-লিংগবাচক শব্দও উভয়-লিংগবাচক শব্দৰ আগত বহি স্ত্রী-লিংগ গঢ়ি তোলা হয়। যেনে,

জন—স্ত্রী জনী, ল'ৰাজন—ছোৱালীজনী, এজনী ছোৱালী, মানুহটো—তিৰোতাজনী।

মতা—স্ত্রী মাইকী, মতা কুকুৰা—মাইকী কুকুৰা, মতা পাৰ—মাইকী পাৰ।